# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 18-03-2026

**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

নিৰ্বাচন আয়োগে ৰাজ্যখনত বিধানসভা নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে নিয়োগ কৰা কেইবাগৰাকীও পৰ্যবেক্ষক আজি সংশ্লিষ্ট জিলাত উপস্থিত হৈছে। **বজালী** জিলাৰ দুটা সমষ্টিৰ বাবে সাধাৰণ পৰ্যবেক্ষক হিচাপে নিয়োগ কৰা ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া এছ্ গণেশ আজি জিলাখনত উপস্থিত হয়। সমষ্টি দুটাৰ বাবে ব্যয় পৰ্যবেক্ষকৰূপে নিয়োগ কৰা ভাৰতীয় ৰাজহ সেৱা বিষয়া ধীৰেন্দ্ৰ কুমাৰো আজি বজালীত উপস্থিত হৈছে। দৰং জিলাৰ তিনিওটা সমষ্টিৰ বাবে নিয়োগ কৰা পৰ্যবেক্ষকসকল আজি জিলাখনত উপস্থিত হয়। মৰিগাওঁ জিলাৰ তিনিটা বিধানসভা সমষ্টিৰ বাবে নিৰ্বাচনী ব্যয় পৰ্যবেক্ষক হিচাপে নিয়োগ কৰা ভাৰতীয় ৰাজহ সেৱা বিষয়া আৰ এল অৰুণ প্ৰসাদ আজি মৰিগাওঁ জিলাত উপস্থিত হয়। একেদৰে তামুলপুৰ আৰু বিশ্বনাথ জিলাতো সংশ্লিষ্ট বিষয়াসকল উপস্থিত হৈ জিলা প্ৰশাসনৰ সৈতে আলোচনাত মিলিত হয়।

উল্লেখযোগ্য যে ৰাজ্যখনত আসন্ন নিৰ্বাচনৰ বাবে ১৩৬ গৰাকী কেন্দ্ৰীয় পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। ইয়াৰে ৫১ গৰাকী সাধাৰণ, ৫০ গৰাকী ব্যয় আৰু ৩৫ গৰাকী আৰক্ষী পৰ্যবেক্ষক। এই পৰ্যবেক্ষকসকলে নিৰ্বাচন বিষয়ক ওজৰ-আপত্তি দাখিলৰ বাবে প্ৰাৰ্থী, ৰাজনৈতিক দল আৰু ৰাইজৰ প্ৰতিনিধিৰ সাক্ষাৎৰ বাবে সময় নিৰ্দিষ্ট কৰি দিব। নিৰ্বাচন আয়োগে লগতে ৰাজনৈতিক দল, বিষয়া আৰু মন্ত্ৰীসকললৈও বিশেষ নীতি-নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি মন্ত্ৰীসকলক চৰকাৰী কৰ্তব্যৰ সৈতে নিৰ্বাচনী প্ৰচাৰক এককাৰ নকৰিবলৈ তথা নিৰ্বাচনী প্ৰচাৰত চৰকাৰী যন্ত্ৰ, ব্যক্তি বা পৰিবহণ ব্যৱহাৰ নকৰিবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে চৰকাৰী বিষয়াসকলক নিৰ্বাচনী আদৰ্শ আৰু নিৰপেক্ষতা বৰ্তাই ৰাখিবলৈ তথা ৰাজনৈতিক দলসমূহক সভা, সমদলৰ বিষয়ে আগতীয়াকৈ আৰক্ষীক অৱগত কৰিবলৈ আৰু নিযেধাজ্ঞাসমূহ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে।

oooo

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে প্ৰাৰ্থী বাছনি, প্ৰচাৰ, মনোনয়ন সংগ্ৰহ তথা দাখিলকে ধৰি বিভিন্ন তৎপৰতা অব্যাহত ৰাখিছে। ইয়াৰ লগতে কেইবাগৰাকীও প্ৰাৰ্থীয়ে অন্য ৰাজনৈতিক দলত আনুষ্ঠানিকভাৱে যোগ দিছে। শাসনাধিষ্ঠিত বিজেপিয়ে আজি নিশা বা কাইলৈৰ ভিতৰত প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে ঘোষণা কৰিছে। নতুন দিল্লীত বিজেপিৰ জ্যেষ্ঠ নেতা ডঃ শৰ্মাই কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনা কৰি আজিৰ ভিতৰত চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব বুলি প্ৰকাশ কৰিছে।

ইপিনে কংগ্রেছ দলৰ জ্যেষ্ঠ নেতা তথা নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে আজি আনুষ্ঠানিকভাৱে বিজেপিত যোগ দিয়ে। দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ড০ হিমন্ত বিশ্ব শৰ্মা, পবিত্ৰ মাৰ্ঘেৰিটা আৰু কামাখ্যা প্ৰসাদ তাছাৰ উপস্থিতিত শ্ৰীবৰদলৈয়ে দলটোত যোগ দিয়ে।

**বাইট - প্ৰদ্যুৎ বৰদলৈ**

নেতাগৰাকীৰ দল ত্যাগ দুৰ্ভাগ্যজনক যদিও ইয়াৰ ফলত দলৰ নিৰ্বাচনী কাম-কাজ কোনো কাৰণতে ক্ষতিগ্ৰস্ত বা প্ৰভাৱন্বিত নহয় বুলি প্ৰদেশ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে প্ৰকাশ কৰে।

ইপিনে বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন সংগ্ৰহ কৰাৰ লগতে প্ৰচাৰ অভিযানো আৰম্ভ কৰিছে। বৰপেটা জিলাৰ ৪টা বিধানসভা সমষ্টিৰ ভিতৰত মন্দিয়া সমষ্টিৰ বাবে আজি প্ৰথমখন মনোনয়ন এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে দাখিল কৰে।

০০০০

যোৰহাট জিলাত ৰন্ধন গেছৰ নাটনি সন্দৰ্ভত কেতবোৰ ভুল তথ্য বিয়পি পৰাৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্ত জয় শিৱানীৰ অধ্যক্ষতাত আজি এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয় কক্ষত অনুষ্ঠিত বৈঠকত জিলাখনৰ অন্তৰ্গত গেছ এজেন্সীৰ বিষয়ববীয়াসকলৰ সৈতে আয়ুক্তগৰাকীয়ে ঘৰুৱা আৰু বাণিজ্যিক গেছৰ উপলব্ধতাৰ সন্দৰ্ভত আলোচনা কৰে। গেছৰ যোগানক লৈ যাতে সাধাৰণ জনতা উদ্বীগ্ন নহয় তাৰ বাবে জিলা আয়ুক্তগৰাকীয়ে গেছ এজেন্সীৰ বিষয়ববীয়াসকলক হোৱাটএছ গ্ৰুপ খুলি উপভোক্তাসকলক বিষয়টো অৱগত কৰাবলৈ আহ্বান জনায়।

০০০০

শিৱসাগৰ জিলাত লালিগুৰ মজুত কৰা আৰু বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। জিলা দণ্ডাধীশ মৃদুল যাদৱে সমগ্ৰ জিলাখনতে তৎকালীনভাৱে বলবৎ হোৱাকৈ কালি এই নিৰ্দেশ দিয়ে। জিলাখনৰ বিভিন্ন অঞ্চলত অবৈধভাৱে সুৰা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত লালীগুৰ ব্যৱহাৰ কৰাৰ বাবেই জিলা প্ৰশাসনে ততাতৈয়াকৈ এই নিষেধাজ্ঞা আৰোপ কৰে। অৱশ্যে কোনো ব্যক্তিয়ে পশু খাদ্য হিচাপে লালীগুৰ ক্ৰয় কৰিবলৈ হ'লে জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত অথবা পশুপালন আৰু পশু চিকিৎসা বিভাগৰ পৰা আগতীয়াকৈ অনুমতি লব লাগিব। কালিৰে পৰা বলবৎ হোৱা এই নিষেধাজ্ঞা সম্পূৰ্ণ দুমাহলৈ বাহাল থাকিব।

০০০০

নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে ৫, ৬, ৭ আৰু ১২ মে'ত ধাৰাবাহিক শুনানি গ্ৰহণ কৰিব। এই আইনৰ বিৰোধিতা কৰি বিভিন্ন দল-সংগঠন আৰু ব্যক্তি বিশেষে আবেদন দাখিল কৰিছিল। সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই আজি এই সন্দৰ্ভত কয়, যে এই আইনৰ বিৰুদ্ধে সংগঠনটোৱে আইনগত আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে সংগ্ৰাম অব্যাহত ৰাখিছে। উচ্চতম ন্যায়ালয়ে সমগ্ৰ ভাৰতৰ বাবে সুকীয়াকৈ আৰু অসম আৰু ত্ৰিপুৰাৰ বাবে সুকীয়াকৈ শুনানি গ্ৰহণ কৰিব বুলি ড০ ভট্টাচাৰ্যই উল্লেখ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ